# MASTER DEGREE 2ND SEMESTER EXAMINATION 2013

## বিষয় ঃ অসমীয়া

পঞ্চম কাকত ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (অৰুনোদয় যুগৰ পৰা যুদ্ধোত্তৰ যুগলৈ)

সময় ঃ ৩ ঘণ্টা মুঠ নম্বৰ ঃ ৮০

১। তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখক $২\times৫ = ১০$

(ক) বাংলা ভাষাত 'অসম বুৰঞ্জী' কোনে ৰচনা কৰিছিল আৰু কোন চনত প্ৰকাশ হৈছিল?

(খ) অৰুণোদয় যুগক কিহৰ ভিত্তিত শ্ৰেণীবিভাজন কৰা হৈছে?

(গ) অসমীয়া ভাষাৰ পুনঃপ্ৰতিষ্ঠাৰ সময়ছোৱাত ভাষা-সাহিত্যলৈ অৱদান আগবঢ়োৱা মিছনেৰী কেইজনৰ নাম লিখক।

(ঘ) অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ কোন সময়ক অৰুণোদয় যুগ বুলি কোৱা হয়?

(ঙ) জোনাকী যুগ কোনটো সময়ক বুজায়?

২। চমুটোকা লিখক $৪\times৩ = ১২$

(ক) ৰামধেনু কাকতৰ গল্প।

(খ) জোনাকী যুগৰ অসমীয়া সামাজিক উপন্যাস।

(গ) নাথান ব্ৰাউন অথবা কমলাকান্ত ভট্টাচাৰ্য।

৩। তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (১০০ শব্দৰ ভিতৰত)

৬×৩ = ১৮

(ক) মিছনেৰীসকলে অসমত প্ৰথমবাৰৰ বাবে কেতিয়া প্ৰবেশ কৰিছিল? তেওঁলোকৰ উদ্দেশ্য কি আছিল?

(খ) প্ৰাক অৰুনোদয় স্তৰৰ অসমীয়া সাহিত্যিক সকলৰ সাহিত্যৰাজিৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(গ) যুদ্ধোত্তৰ যুগৰ অসমীয়া চুটি গল্পৰ বিষয়ে এটি টোকা লিখক।

(ঘ) আনন্দৰাম ঢেকিয়ালফুকনৰ সাহিত্যিক কৃতি সম্পৰ্কে আলোচনা কৰক।

৪. তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক ১০×৪= ৪০

(ক) হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ অসমীয়া সাহিত্যলৈ অৱদান সম্পৰ্কে এটি তুলনামূলক আলোচনা আগবঢ়াওক

(খ) 'জোনাকী যুগ' শব্দ দুটা কেনেদৰে উদ্ভৱ হ'ল? জোনাকী যুগৰ চুটিগল্প সম্পৰ্কে আলোচনা কৰি অসমীয়া গল্প সাহিত্যত ৰসৰাজ বেজবৰুৱাৰ স্থান নিৰ্ণয় কৰক।

অথবা

'অসমীয়া সাহিত্যলৈ জোনাকী কাকতৰ অৱদান' এই বিষয়ে এটি বিশ্লেষণ আগবঢ়াওক।

(গ) যুদ্ধোত্তৰ যুগৰ (প্ৰথম পৰ্ব) অসমীয়া উপন্যাসৰ বিষয়ে এটি প্ৰবন্ধ লিখক।

অথবা

যুদ্ধোত্তৰ যুগৰ (প্ৰথম পৰ্ব) অসমীয়া সমালোচনা সাহিত্য সম্পৰ্কে এটি বিৱৰণ ডাঙি ধৰক।

(ঘ) যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটক সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

** ** **